रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

**असाधारण**
**EXTRA ORDINARY**
**অসাধাৰণ**

**भाग VI - अनुभाग 1**
**PART VI - Section 1**
**ভাগ ৬ - অনুভাগ ১**

**प्राधिकार से प्रकाशित**
PUBLISHED BY AUTHORITY
**প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত**

No. 11 ] NEW DELHI, MONDAY, DECEMBER 24, 2018 / 3 PAUSA, 1940 (Saka) [ VOL : 13
নং ১১ ] নতুন দিল্লী, সোমবাৰ, ডিচেম্বৰ ২৪, ২০১৮ / ৩ পুহ, ১৯৪০ (শক) [ খণ্ড ঃ ১৩

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮ (২০০৯ ৰ ৪)

৭ জানুৱাৰী, ২০০৯ তাৰিখে যথাবিদ্যমান

# গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮
## (২০০৯ ৰ সংখ্যা ৪)

### ধাৰাসমূহৰ ক্ৰম

অধ্যায়-১

প্ৰাৰম্ভিক


| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ | ১ |
| ২। পৰিভাষা | ১ |


অধ্যায়-২

গ্ৰাম ন্যায়ালয়


| | |
|---|---|
| ৩। গ্ৰাম ন্যায়ালয়ৰ স্থাপন | ২ |
| ৪। গ্ৰাম ন্যায়ালয়ৰ মুখ্য কাৰ্য্যালয় | ২ |
| ৫। ন্যায়াধিকাৰীৰ নিযুক্তি | ২ |
| ৬। ন্যায়াধিকাৰীৰ নিযুক্তিৰ বাবে অৰ্হতা | ২ |
| ৭। ন্যায়াধিকাৰীৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী | ২ |
| ৮। ন্যায়াধিকাৰীয়ে কাৰ্য্যবাহীসমূহৰ ওপৰত অধ্যক্ষতা নকৰিব য'ত তেওঁ স্বাৰ্থজড়িত হয় | ২ |
| ৯। ন্যায়াধিকাৰীয়ে চলন্ত ন্যায়ালয় চলাব আৰু গাওঁসমূহত কাৰ্য্যবাহীসমূহ পৰিচালনা কৰিব | ২ |
| ১০। গ্ৰাম ন্যায়ালয়ৰ মোহৰ | ২ |


অধ্যায়-৩

গ্ৰাম ন্যায়ালয়ৰ অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ


| | |
|---|---|
| ১১। গ্ৰাম ন্যায়ালয়ৰ অধিকাৰিতা | ৩ |
| ১২। দাণ্ডিক অধিকাৰিতা | ৩ |
| ১৩। চিভিল অধিকাৰিতা | ৩ |
| ১৪। অনুসূচীসমূহৰ সংশোধনৰ ক্ষমতা | ৩ |
| ১৫। পৰিসীমা | ৩ |
| ১৬। লম্বিত কাৰ্য্যবাহীৰ অন্তৰণ | ৩ |
| ১৭। মন্ত্ৰালয়িক পদাধিকাৰীৰ কৰ্ত্তব্য | ৩ |


অধ্যায়-৪

দাণ্ডিক গোচৰসমূহৰ প্ৰক্ৰিয়া


| | |
|---|---|
| ১৮। দাণ্ডিক বিচাৰত অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব | ৪ |
| ১৯। গ্ৰাম ন্যায়ালয়ে সংক্ষিপ্ত বিচাৰ প্ৰক্ৰিয়া অনুসৰণ কৰিব | ৪ |
| ২০। গ্ৰাম ন্যায়ালয়ত আপত্তিৰ চুক্তিকৰণ | ৪ |
| ২১। গ্ৰাম ন্যায়ালয়ত গোচৰৰ পৰিচালনা আৰু পক্ষসমূহলৈ বিধিক সাহাৰ্য্য দিয়া | ৪ |
| ২২। ৰায় শুনোৱা | ৪ |

# গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮

## অধ্যায়-৫

## চিভিল গোচৰসমূহত প্ৰক্ৰিয়া

পৃষ্ঠা


২৩। চিভিল কাৰ্য্যবাহীসমূহত অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব ৪

২৪। চিভিল বিবাদসমূহত বিশেষ প্ৰক্ৰিয়া ৪

২৫। গ্ৰাম ন্যায়ালয়ৰ ডিক্ৰী আৰু আদেশৰ নিষ্পাদন ৫

২৬। চিভিল বিবাদসমূহৰ আপোচ আৰু বন্দৱস্তীৰ বাবে প্ৰয়াস কৰাটো গ্ৰাম ন্যায়ালয়ৰ কৰ্ত্তব্য হ'ব ৫

২৭। আপোচকাৰীৰ নিযুক্তি ৫

২৮। চিভিল বিবাদসমূহৰ অন্তৰণ ৫


## অধ্যায়-৬

## সাধাৰণতঃ প্ৰক্ৰিয়া


২৯। ৰাজ্যৰ চৰকাৰী ভাষাত থকা কাৰ্য্যবাহী ৬

৩০। ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ প্ৰয়োগ ৬

৩১। মৌখিক সাক্ষ্যৰ অভিলেখ ৬

৩২। শপত পত্ৰত প্ৰৰূপী প্ৰকাৰৰ সাক্ষ্য ৬


## অধ্যায়-৭

## আপীল


৩৩। দাণ্ডিক গোচৰসমূহত আপীল ৬

৩৪। চিভিল গোচৰসমূহত আপীল ৬


## অধ্যায় -৮

## বিবিধ


৩৫। গ্ৰাম ন্যায়ালয়লৈ আৰক্ষীৰ সহায়তা ৭

৩৬। ন্যায়াধিকাৰী আৰু কৰ্ম্মচাৰী ইত্যাদি, লোকসেৱক হ'ব ৭

৩৭। গ্ৰাম ন্যায়াল য়ৰ পৰিদৰ্শন ৭

৩৮। জটিলতা দূৰীকৰণৰ ক্ষমতা ৭

৩৯। উচ্চ ন্যায়ালয়ৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ৭

৪০। ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ৮

প্ৰথম অনুসূচী ৮

দ্বিতীয় অনুসূচী ৯

# গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮

(২০০৯ৰ সংখ্যা ৪)

[৭ জানুৱাৰী, ২০০৯]

*নাগৰিকৰ ওচৰলৈ ন্যায় প্ৰাপ্তিৰ উপলব্ধিতকৰণৰ প্ৰয়োজনাৰ্থে তৃণমূল স্তৰত গ্ৰাম ন্যায়ালয়ৰ স্থাপনৰ বাবে আৰু সামাজিক, অৰ্থনৈতিক বা আন অক্ষমতাৰ কাৰণৰ দ্বাৰা কোনো নাগৰিকলৈ অস্বীকাৰ নকৰা ন্যায়ৰ সুনিশ্চিতকৰণৰ বাবে সেই সুবিধাসমূহ নিশ্চিত কৰিবলৈ আৰু ইয়াৰ লৈতে সম্পৰ্কিত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপলব্ধ কৰিবলৈ এখনি অধিনিয়ম।*

ভাৰত গণৰাজ্যৰ উণষষ্টিতম বৰ্ষত সংসদৰ দ্বাৰা ইয়াক নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক :-

## অধ্যায় -১

## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ। ১। (১) এই অধিনিয়মখন গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮ নামেৰে অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ, জম্মু আৰু কাশ্মীৰ ৰাজ্য, নগালেণ্ড ৰাজ্য, অৰুণাচল প্ৰদেশ ৰাজ্য, চিকিম ৰাজ্য আৰু জনজাতি অঞ্চলসমূহৰ ব্যতিৰেকে সমগ্ৰ ভাৰতবৰ্ষতে হ'ব।

**স্পষ্টীকৰণ**- এই উপ-ধাৰাত, ''জনজাতি অঞ্চল'' মানে যথাক্ৰমে অসম ৰাজ্য, মেঘালয় ৰাজ্য, ত্ৰিপুৰা ৰাজ্য আৰু মিজোৰাম ৰাজ্যৰ ভিতৰত সংবিধানৰ ষষ্ঠ অনুসূচীৰ দফা ২০ৰ তলৰ তালিকাৰ ভাগ I, II, II-ক আৰু IIIত বিনিৰ্দ্দিষ্ট অঞ্চলসমূহ।

(৩) এইখন, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখত বলবৎ হ'ব ; আৰু বিভিন্ন ৰাজ্যসমূহৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে।

পৰিভাষা। ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,-

(ক) ''গ্ৰাম ন্যায়ালয়'' মানে ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত স্থাপিত এখন ন্যায়ালয় ;

(খ) ''গ্ৰাম পঞ্চায়ত'' মানে গ্ৰামীণ অঞ্চলৰ বাবে সংবিধানৰ অনুচ্ছেদ ২৪৩খৰ অধীনত গ্ৰাম্যাঞ্চলত গঠিত (যি নামেৰেই অভিহিত হওঁক) স্বায়ত্ব শাসনৰ কোনো সংস্থা ;

(গ) ''উচ্চ ন্যায়ালয়'' মানে,-

(i) কোনো ৰাজ্যৰ সম্বন্ধত, সেই ৰাজ্যৰ উচ্চ ন্যায়ালয় ;

(ii) কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত যালৈ কোনো এখন ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ অধিকাৰিতা বিধিৰ দ্বাৰা বিস্তাৰিত হয়, সেই উচ্চ ন্যায়ালয় ;

(iii) কোনো আন সংঘ ৰাজ্যৰ সম্বন্ধত, ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ বাহিৰে সেই ৰাজ্যক্ষেত্ৰৰ দাণ্ডিক আপীলৰ সৰ্ব্বোচ ন্যায়ালয় ;

(ঘ) ''অধিসূচনা'' মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কোনো অধিসূচনা আৰু অভিব্যক্তি ''অধিসূচিত''ৰ তদনুসাৰে অৰ্থ হ'ব ;

(ঙ) ''ন্যায়াধিকাৰী'' মানে ধাৰা ৫ৰ অধীনত নিয়োজিত এখন গ্ৰাম ন্যায়ালয়ৰ অধিষ্ঠাতা পদাধিকাৰী ;

(চ) ''মধ্যৱৰ্ত্তী স্তৰত পঞ্চায়ত'' মানে সংবিধানৰ ভাগ IX.ৰ উপৰন্ধসমূহৰ অনুসৰণত গ্ৰামীণ অঞ্চলসমূহৰ বাবে, সংবিধানৰ অনুচ্ছেদ ২৪৩খৰ অধীনত মধ্যৱৰ্ত্তী স্তৰত গঠিত (যি নামেৰেই অভিহিত হওঁক) স্বায়ত্ব শাসনৰ এটা সংস্থা ;

(ছ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(জ) ''অনুসূচী'' মানে এই অধিনিয়মলৈ সংলগ্ন অনুসূচী ;

(ঝ) কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত, ''ৰাজ্য চৰকাৰ'' মানে সংবিধানৰ অনুচ্ছেদ ২৩৯ৰ অধীনত নিয়োজিত ইয়াৰ প্ৰশাসক ;

## গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮

১৯০৮ৰ ৫
১৯৭৪ৰ ২

(ঞ) ইয়াত ব্যৱহৃত হোৱা আৰু পৰিভাষিত নোহোৱা কিন্তু চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা দণ্ড প্ৰক্ৰিয়া সংহিতা , ১৯৭৩ত পৰিভাষিত হোৱা শব্দ আৰু অভিব্যক্তিৰ সেই সংহিতাসমূহত সেইসমূহলৈ যথাক্ৰমে আৰোপিত কৰা অৰ্থ হ'ব।

### অধ্যায় -২

### গ্ৰাম ন্যায়ালয়

গ্ৰাম ন্যায়ালয়ৰ স্থাপন।

৩। (১) এই অধিনিয়মৰ দ্বাৰা কোনো গ্ৰাম ন্যায়ালয়ত অৰ্পিত অধিকাৰিতা আৰু ক্ষমতাসমূহৰ কাৰ্য্যকৰীকৰণৰ প্ৰয়োজনাৰ্থে, ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ সৈতে পৰামৰ্শ কৰাৰ পিচত, অধিসূচনাৰ দ্বাৰা কোনো জিলাত মধ্যৱৰ্ত্তী স্তৰত প্ৰত্যেক পঞ্চায়ত বা মধ্যৱৰ্ত্তী স্তৰত এটা সন্নিকটস্থ পঞ্চায়ত সমষ্টিৰ বাবে বা য'ত কোনো ৰাজ্যত এটা মধ্যৱৰ্ত্তী স্তৰত কোনো পঞ্চায়ত নাথাকে, এটা সন্নিকটস্থ গ্ৰাম পঞ্চায়তৰ সমষ্টিৰ বাবে এক বা ততোধিক গ্ৰাম ন্যায়ালয় স্থাপন কৰিব পাৰে।

(২) ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ সৈতে পৰামৰ্শ কৰাৰ পিচত, অধিসূচনাৰ দ্বাৰা এলেকাৰ স্থানীয় পৰিসীমা নিৰ্দ্ধাৰিত কৰিব যালৈ এখন গ্ৰাম ন্যায়ালয়ৰ অধিকাৰিতা বিস্তাৰিত হ'ব আৰু যিকোনো সময়তে, এনে পৰিসীমাৰ বৃদ্ধি, হ্ৰাস বা সলনি কৰিব পাৰে।

(৩) উপ-ধাৰা (১)ৰ অধীনত স্থাপিত গ্ৰাম ন্যায়ালয়সমূহ সম্প্ৰতি বলবৎ কোনো আন বিধিৰ অধীনত স্থাপিত ন্যায়ালয়সমূহৰ অতিৰিক্ত হ'ব।

গ্ৰাম ন্যায়ালয়ৰ মুখ্য কাৰ্য্যালয়।

৪। প্ৰত্যেক গ্ৰাম ন্যায়ালয়ৰ মুখ্য কাৰ্যালয়সমূহ মধ্যৱৰ্ত্তী পঞ্চায়তৰ মুখ্য কাৰ্য্যালয়সমূহত বা ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত কৰাৰ দৰে এনে আন স্থানত অৱস্থিত হ'ব য'ত গ্ৰাম ন্যায়ালয় স্থাপিত হয়।

ন্যায়াধিকাৰীৰ নিযুক্তি।

৫। ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ সৈতে পৰামৰ্শ কৰি, প্ৰত্যেক গ্ৰাম ন্যায়ালয়ৰ বাবে এজন ন্যায়াধিকাৰী নিযুক্তি দিব।

ন্যায়াধিকাৰীৰ নিযুক্তিৰ বাবে অৰ্হতা।

৬। (১) এজন ব্যক্তি, এজন ন্যায়াধিকাৰী ৰূপে নিয়োজিত হবলৈ অৰ্হতাসম্পন্ন নহব যদিহে তেওঁ প্ৰথম শ্ৰেণীৰ এজন ন্যায়িক দণ্ডাধীশৰূপে নিযুক্ত হবলৈ যোগ্য নহয়।

(২) এজন ন্যায়াধিকাৰীৰ নিযুক্তিৰ সময়ত, ৰাজ্য চৰকাৰৰ দ্বাৰা, সময়ে সময়ে অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাৰ দৰে অনুসূচিত জাতি, অনুসূচিত জনজাতি, মহিলা আৰু এনে আন শ্ৰেণীসমূহ বা সম্প্ৰদায়সমূহৰ সদস্যসমূহলৈ প্ৰতিবেদন দিয়া হ'ব।

ন্যায়াধিকাৰীৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিৰ্বন্ধন আৰু চৰ্ত্তাৱলী।

৭। এজন ন্যায়াধিকাৰীক দিবলগীয়া বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিৰ্বন্ধন আৰু চৰ্ত্তাৱলী এনে হ'ব যিদৰে প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশলৈ প্ৰযোজ্য হয়।

ন্যায়াধিকাৰীয়ে কাৰ্য্যবাহীসমূহৰ ওপৰত অধ্যক্ষতা নকৰিব য'ত তেওঁ স্বাৰ্থজড়িত হয়।

৮। ন্যায়াধিকাৰীয়ে কোনো গ্ৰাম ন্যায়ালয়ত কাৰ্য্যবাহীসমূহৰ ওপৰত অধ্যক্ষতা নকৰিব য'ত তেওঁৰ কোনো স্বাৰ্থ থাকে বা বিবাদৰ বিষয়বস্তুত অন্যথা জড়িত হয় বা এনে কাৰ্য্যবাহীত আৰু এনে গোচৰত কোনো পক্ষলৈ সম্পৰ্কিত হয়, তেতিয়া ন্যায়াধিকাৰীয়ে বিষয়টো জিলা ন্যায়ালয়লৈ বা যথাস্থিতি চেছন ন্যায়ালয়লৈ ইয়াক আন ন্যায়াধিকাৰীলৈ অন্তৰণৰ বাবে প্ৰেৰণ কৰিব।

ন্যায়াধিকাৰীয়ে চলন্ত ন্যায়ালয় চলাব আৰু গাওঁসমূহত কাৰ্য্যবাহীসমূহ পৰিচালনা কৰিব।

৯। (১) ন্যায়াধিকাৰীয়ে তেওঁৰ অধিকাৰিতাৰ অধীনত থকা গাওঁসমূহ সময়ে সময়ে চাবলৈ যাব আৰু কোনো স্থানত বিচাৰ বা কাৰ্য্যবাহীসমূহ পৰিচালনা কৰিব যিটো তেওঁ, য'ত পক্ষসমূহ সাধাৰণতে বসবাস কৰে বা য'ত সম্পূৰ্ণ বা আংশিক বাদ হেতুকৰ উদ্ভৱ হয় নিকট আসন্নতা বিবেচনা কৰে :

পৰন্তু য'ত গ্ৰাম ন্যায়ালয়ে ইয়াৰ মুখ্য কাৰ্য্যালয়সমূহৰ বাহিৰত চলন্ত ন্যায়ালয় চলাই নিবলৈ ই বিনিশ্চয় কৰে, তেওঁ, তাৰিখ আৰু স্থানৰ বিষয়ে বহল ভাৱে প্ৰচাৰ কৰিব য'ত ই চলন্ত ন্যায়ালয় চলাই নিবলৈ প্ৰস্তাৱ কৰে।

(২) ৰাজ্য চৰকাৰে, ন্যায়াধিকাৰীৰ দ্বাৰা চলন্ত ন্যায়ালয় চলাই নিয়াৰ বাবে যানবাহনৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰি গ্ৰাম ন্যায়ালয়ৰ সকলো সা-সুবিধা বিস্তাৰিত কৰিব যেতিয়া বিচাৰ বা কাৰ্য্যবাহীসমূহৰ পৰিচালনা ইয়াৰ মুখ্য কাৰ্য্যালয়সমূহৰ বাহিৰত হয়।

গ্ৰাম ন্যায়ালয়ৰ মোহৰ।

১০। এই অধিনিয়মৰ অধীনত স্থাপিত প্ৰত্যেক গ্ৰাম ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ অনুমোদন সহ উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু আকাৰত ন্যায়ালয়ৰ মোহৰ ব্যৱহাৰ কৰিব।

## অধ্যায় -৩
## গ্ৰাম ন্যায়ালয়ৰ অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ

গ্ৰাম ন্যায়ালয়ৰ অধিকাৰিতা। ১৯৭৪ ৰ ২ ১৯০৮ ৰ ৫

১১। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ বা চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা সম্প্ৰতি বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও গ্ৰাম ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত উপৱন্ধিত ৰীতিত আৰু বিস্তাৰলৈ চিভিল আৰু দাণ্ডিক অধিকাৰিতা উভয়কে কাৰ্য্যকৰী কৰিব।

দাণ্ডিক অধিকাৰিতা।

১২। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ বা সম্প্ৰতি বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, গ্ৰাম ন্যায়ালয়ে এটা অভিযোগৰ ওপৰত বা আৰক্ষীৰ এখন প্ৰতিবেদনৰ ওপৰত এটা অপৰাধৰ সংজ্ঞান লব পাৰে আৰু ——

(ক) প্ৰথম অনুসূচীৰ ভাগ ১ত বিনিৰ্দ্দিষ্ট সকলো অপৰাধ বিচাৰ কৰিব ; আৰু

(খ) সেই অনুসূচীৰ ভাগ ২ত অন্তৰ্ভুক্ত অধিনিয়মিতিৰ অধীনত বিনিৰ্দ্দিষ্ট সকলো অপৰাধৰ বিচাৰ কৰিব আৰু উপশম মঞ্জুৰ কৰিব, যদি কিবা থাকে।

(২) উপ-ধাৰা (১)ৰ উপৱন্ধসমূহৰ প্ৰতিকূলতা বিনা, গ্ৰাম ন্যায়ালয়ে ৰাজ্যিক অধিনিয়মৰ অধীনত এনে সকলো অপৰাধ বিচাৰ কৰিব বা এনে উপশম মঞ্জুৰ কৰিব যিটো ধাৰা ১৪ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত কৰিব পাৰে।

চিভিল অধিকাৰিতা। ১৯০৮ৰ ৫

১৩। (১) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা সম্প্ৰতি বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, আৰু উপ-ধাৰা (২)ৰ সাপেক্ষে গ্ৰাম ন্যায়ালয়ৰ নিম্নলিখিতসমূহৰ অধিকাৰিতা থাকিব ——

(ক) দ্বিতীয় অনুসূচীৰ ভাগ ১ত বিনিৰ্দ্দিষ্ট বিবাদৰ শ্ৰেণীসমূহৰ অধীনত থকা কোনো চিভিল প্ৰকৃতিৰ সকলো বাদ বা কাৰ্য্যবাহীসমূহৰ বিচাৰ কৰিব ;

(খ) সকলো শ্ৰেণীৰ দাবী আৰু বিবাদসমূহ বিচাৰ কৰিব যিটো ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰু উক্ত ধাৰাৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত কৰিব পাৰে।

(২) গ্ৰাম ন্যায়ালয়ৰ আৰ্থিক সম্বন্ধীয় সীমা এনে হ'ব যিদৰে সময়ে সময়ে, অধিসূচনাৰ দ্বাৰা, ৰাজ্য চৰকাৰৰ সৈতে পৰামৰ্শ কৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা হয়।

অনুসূচী সমূহৰ সংশোধনৰ ক্ষমতা।

১৪। (১) য'ত কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে এইটো এনেদৰে কৰিবলৈ আৱশ্যকীয় বা সমীচীন, ই অধিসূচনাৰ দ্বাৰা প্ৰথম অনুসূচীৰ ভাগ ১ বা ভাগ ২ বা যথাস্থিতি দ্বিতীয় অনুসূচীৰ ভাগ ২ত কোনো বিষয় যুক্ত বা লোপ কৰিব পাৰে আৰু ইয়াক তদনুসাৰে সংশোধিত হোৱা বুলি গণ্য কৰা হ'ব।

(২) উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব।

(৩) যদি ৰাজ্য চৰকাৰ সন্তুষ্ট হয় যে এনে কৰিবলৈ আৱশ্যকীয় বা সমীচীন, ই উচ্চ ন্যায়ালয়ৰ সৈতে পৰামৰ্শ কৰি অধিসূচনাৰ দ্বাৰা, প্ৰথম অনুসূচীৰ ভাগ III বা দ্বিতীয় অনুসূচীৰ ভাগ III ত কোনো বিষয় যুক্ত কৰিবলৈ বা ইয়াৰ পৰা কোনো বিষয় লোপ কৰিব যাৰ সম্বন্ধত ৰাজ্যিক বিধান মণ্ডলে বিধি প্ৰণয়ন কৰিবলৈ সক্ষম হয় আৰু ইয়াৰ ওপৰত প্ৰথম অনুসূচী বা যথাস্থিতি দ্বিতীয় অনুসূচী তদনুসাৰে সংশোধিত হোৱা বুলি গণ্য কৰা হ'ব।

(৪) উপ-ধাৰা (৩)ৰ অধীনত জাৰী কৰা প্ৰত্যেক অধিসূচনা ৰাজ্যিক বিধান মণ্ডলত উত্থাপন কৰিব।

পৰিসীমা। ১৯৬৩ৰ ৩৬ ১৯৭৪ৰ ২

১৫। (১) পৰিসীমা অধিনিয়ম, ১৯৬৩ৰ উপৱন্ধাৱলী গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য বাদসমূহলৈ প্ৰযোজ্য হ'ব।

(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধ্যায় X XXVI ৰ উপৱন্ধাৱলী গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য অপৰাধসমূহৰ সম্বন্ধত প্ৰযোজ্য হ'ব।

লম্বিত কাৰ্য্যবাহীৰ অন্তৰণ।

১৬। (১)জিলা ন্যায়ালয় বা যথাস্থিতি চেছন ন্যায়ালয়ে উচ্চ ন্যায়ালয়ৰ দ্বাৰা অধিসূচিত কৰাৰ দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ, ইয়াৰ অধীনস্থ ন্যায়ালয়ত লম্বিত সকলো চিভিল বা দাণ্ডিক গোচৰ, এনে গোচৰৰ বিচাৰ বা নিস্পত্তি কৰিবলৈ সক্ষম গ্ৰাম ন্যায়ালয়লৈ অন্তৰণ কৰিব।

(২) গ্ৰাম ন্যায়ালয়ে, ইয়াৰ স্ববিবেকানুসাৰে, হয় গোচৰসমূহ পুনৰ বিচাৰ কৰিব বা সেই স্তৰৰ পৰা কাৰ্য্যবাহ কৰিব য'ত ইয়াক ইয়ালৈ অন্তৰণ কৰা হৈছিল।

মন্ত্ৰালয়িক পদাধিকাৰীৰ কৰ্ত্তব্য।

১৭। (১) ৰাজ্য চৰকাৰে, ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনত কোনো গ্ৰাম ন্যায়াচয়ক সহায় কৰিবলৈ অপেক্ষিত পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ প্ৰকৃতি আৰু শ্ৰেণীসমূহ নিৰ্দ্ধাৰণ কৰিব আৰু গ্ৰাম ন্যায়ালয়ক এনে পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ উপৱন্ধ কৰিব যিদৰে ই উচিত বিবেচনা কৰে।

(২) গ্ৰাম ন্যায়ালয়ৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন চৰ্ত্তাৱলী এনে হ'ব যিদৰে ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা হয়।

(৩) এখন গ্ৰাম ন্যায়ালয়ৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দই এনে কৰ্ত্তব্যসমূহ সম্পাদন কৰিব যিদৰে ন্যায়াধিকাৰীৰ দ্বাৰা সময়ে সময়ে তেওঁলোকলৈ আৰোপিত কৰা হয়।

গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮

## অধ্যায়-৪
## দাণ্ডিক গোচৰসমূহৰ প্ৰক্ৰিয়া

দাণ্ডিক বিচাৰত অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব। ১৯৭৪ৰ ২

১৮। এই অধিনিয়মৰ উপৱন্ধসমূহ, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত বা আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, প্ৰভাৱী হ'ব, কিন্তু এই অধিনিয়মত অভিব্যক্তৰূপে উপৱন্ধিত ব্যতিৰেকে, সংহিতাৰ উপৱন্ধসমূহ, যিমানদূৰ সম্ভৱ সেইবোৰ এই অধিনিয়মৰ উপৱন্ধসমূহৰ সৈতে অসঙ্গত নহয়, এখন গ্ৰাম ন্যায়ালয়ৰ কাৰ্য্যবাহীসমূহলৈ প্ৰযোজ্য হ'ব, আৰু সংহিতাৰ উক্ত উপৱন্ধসমূহৰ প্ৰয়োজনাৰ্থে, গ্ৰাম ন্যায়ালয়ক, প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ এখন ন্যায়ালয় বুলি গণ্য কৰা হ'ব।

গ্ৰাম ন্যায়ালয়ে সংক্ষিপ্ত বিচাৰ প্ৰক্ৰিয়া অনুসৰণ কৰিব।

১৯। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ২৬০ৰ উপ-ধাৰা (১)বা ধাৰা ২৬২ৰ উপ-ধাৰা (২)ত কোনো কথা থকা সত্ত্বেও, গ্ৰাম ন্যায়ালয়ে, উক্ত সংহিতাৰ অধ্যায় XXI ত বিনিৰ্দ্দিষ্ট প্ৰক্ৰিয়াসমূহৰ অনুসৰি এটা সংক্ষিপ্ত ধৰণে অপৰাধসমূহৰ বিচাৰ কৰিব আৰু ধাৰা ২৬২ৰ উপ-ধাৰা (১)ৰ উপৱন্ধসমূহ আৰু উক্ত সংহিতাৰ ধাৰা ২৬৩ৰ পৰা ২৬৫ লৈ যিমানদূৰ সম্ভৱ হয় এনে বিচাৰলৈ প্ৰযোজ্য হ'ব।

১৯৭৪ৰ ২

(২) এটা সংক্ষিপ্ত বিচাৰৰ ক্ৰমত, যেতিয়া ন্যায়াধিকাৰীৰ এইটো প্ৰতীত হয় যে গোচৰৰ প্ৰকৃতি এনে হয় যে ইয়াক সংক্ষিপ্ত ৰূপে বিচাৰ কৰা অনুচিত, ন্যায়াধিকাৰীয়ে কোনো সাক্ষীক পুনৰ আহ্বান কৰিব যাক পৰীক্ষা কৰা হৈছিল আৰু দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ৰ অধীনত উপৱন্ধিত ৰীতিত গোচৰ পুনৰ শুনানীলৈ অগ্ৰসৰ হ'ব।

গ্ৰাম ন্যায়ালয়ত আপত্তিৰ চুক্তিকৰণ। ১৯৭৪ৰ ২

২০। এটা অপৰাধত অভিযুক্ত এজন ব্যক্তিয়ে গ্ৰাম ন্যায়ালয়ত আপত্তি চুক্তি কৰাৰ বাবে এখন আবেদন দাখিল কৰিব পাৰে য'ত এনে অপৰাধৰ লম্বিত বাদ হয়, আৰু গ্ৰাম ন্যায়ালয়ে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধ্যায় XXI ক ৰ উপৱন্ধসমূহৰ অনুসৰণত গোচৰটো নিষ্পত্তি কৰিব।

গ্ৰাম ন্যায়ালয়ত গোচৰৰ পৰিচালনা আৰু পক্ষসমূহলৈ বিধিক সাহায্য দিয়া। ১৯৭৪ৰ ২

২১। (১) গ্ৰাম ন্যায়ালয়ত চৰকাৰৰ হকে দাণ্ডিক গোচৰসমূহৰ পৰিচালনাৰ প্ৰয়োজনাৰ্থে, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ২৫ৰ উপৱন্ধসমূহ প্ৰযোজ্য হ'ব।

(২) উপ-ধাৰা (১)ত কোনো কথা থকা সত্ত্বেও, গ্ৰাম ন্যায়ালয়ত এটা দাণ্ডিক কাৰ্য্যবাহীত অভিযোগকাৰীয়ে গ্ৰাম ন্যায়ালয়ৰ অনুমতিত অভিযোজনৰ গোচৰ উপস্থাপন কৰিবলৈ তেওঁৰ ব্যয়ত তেওঁৰ পচন্দৰ কোনো অধিবক্তা নিযুক্তি দিব পাৰে।

১৯৮৭ৰ ৩৯

(৩) বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭ৰ ধাৰা ৬ৰ অধীনত গঠিত, ৰাজ্যিক বিধিক সেৱা প্ৰাধিকৰণে, অধিবক্তাসমূহৰ এখন তালিকা প্ৰস্তুত কৰিব আৰু অতি কমেও তেওঁলোকৰ দুজনক প্ৰত্যেক গ্ৰাম ন্যায়ালয়লৈ জড়িত কৰিবলৈ আৰোপিত কৰিব যাতে তেওঁলোকৰ সেৱাসমূহ গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা, এজন অধিবক্তা নিয়োজিত কৰিবলৈ অসমৰ্থ হোৱা অভিযুক্তলৈ উপৱন্ধিত কৰে।

ৰায় শুনোৱা।

২২। (১) প্ৰত্যেক বিচাৰত ৰায়, বিচাৰৰ অৱসানৰ ঠিক পিছত বা পোন্ধৰ দিনৰ অনধিক কোনো পশ্চাৎৱৰ্ত্তী সময়ত, যি সময়ত পক্ষসমূহলৈ জাননী দিয়া হ'ব, মুক্ত ন্যায়ালয়ত ন্যায়াধিকাৰীৰ দ্বাৰা শুনোৱা হ'ব।

(২) গ্ৰাম ন্যায়ালয়ে, বিনামূল্যে উভয় পক্ষক শীঘ্ৰে ইয়াৰ ৰায়ৰ এটা প্ৰতিলিপি প্ৰদান কৰিব।

## অধ্যায়-৫
## চিভিল গোচৰসমূহৰ প্ৰক্ৰিয়া

চিভিল কাৰ্য্যবাহীসমূহত অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব।

২৩। এই অধিনিয়মৰ উপৱন্ধসমূহ চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ বা আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও প্ৰভাৱ থাকিব।

কিন্তু এই অধিনিয়মত অভিব্যক্তৰূপে উপৱন্ধিত ব্যতিৰেকে, সংহিতাৰ উপৱন্ধসমূহ যিমানদূৰ সম্ভৱ সেইবোৰ এই অধিনিয়মৰ উপৱন্ধসমূহৰ সৈতে অসঙ্গত নহয়, এখন গ্ৰাম ন্যায়ালয়ত কাৰ্য্যবাহীসমূহলৈ প্ৰযোজ্য হ'ব আৰু সংহিতাৰ উক্ত উপৱন্ধসমূহৰ প্ৰয়োজনাৰ্থে, গ্ৰাম ন্যায়ালয় এখন চিভিল ন্যায়ালয় হোৱা বুলি গণ্য হ'ব।

১৯০৮ৰ ৫

চিভিল বিবাদসমূহত বিশেষ প্ৰক্ৰিয়া।

২৪। (১) সম্প্ৰতি বলবৎ কোনো সময়ত আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, এই অধিনিয়মৰ অধীনত প্ৰত্যেক বাদ, দাবী বা বিবাদ এনে প্ৰপত্ৰত, এনে ৰীতিত আৰু এশ টকাৰ অনধিক এনে মাচুল সহ ৰাজ্য চৰকাৰৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিহিত কৰা দৰে গ্ৰাম ন্যায়ালয়লৈ কোনো আবেদন কৰি ৰুজু কৰা হ'ব।

(২) য'ত এটা বাদ, দাবী বা বিবাদ সম্যকৰূপে ৰুজু কৰা হয়, চমন, তাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে তাৰিখৰ দ্বাৰা দাবী প্ৰতীত কৰিবলৈ আৰু উত্তৰ দিবলৈ বিৰোধী পক্ষক উপ-ধাৰা (১)ৰ অধীনত দিয়া আবেদনৰ এখন প্ৰতিলিপি সহ, গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা জাৰি কৰা হ'ব আৰু একেবোৰ উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিহিত কৰাৰ দৰে এনে ৰীতিত জাৰি কৰা হ'ব।

(৩) বিৰোধী পক্ষই তেওঁৰ লিখিত বিবৃতি দাখিল কৰাৰ পিছত গ্ৰাম ন্যায়ালয়ে শুনানীৰ বাবে এটা তাৰিখ নিৰ্দ্ধাৰণ কৰিব আৰু সকলো পক্ষক স্বয়ং বা তেওঁলোকৰ অধিবক্তাৰ জৰিয়তে উপস্থিত থাকিবলৈ জনাব।

(৪) শুনানীৰ বাবে নিৰ্দ্ধাৰিত তাৰিখত গ্ৰাম ন্যায়ালয়ে তেওঁলোকৰ নিজৰ নিজৰ যুক্তিৰ সম্বন্ধত উভয় পক্ষসমূহৰ শুনানী লব আৰু য'ত বিবাদে কোনো সাক্ষ্যৰ অভিলেখ অপেক্ষিত নকৰে, ৰায় শুনাব, আৰু কোনো ক্ষেত্ৰত য'ত ই সাক্ষ্যৰ অভিলেখ অপেক্ষিত কৰে, গ্ৰাম ন্যায়ালয়ে আগলৈ কাৰ্য্যবাহী কৰিব।

(৫) গ্ৰাম ন্যায়ালয়ৰ নিম্নলিখিত ক্ষমতাসমূহো থাকিব -

(ক) ক্ৰুটীৰ বাবে কোনো গোচৰ খাৰিজ কৰা বা এক পক্ষীয়ভাৱে কাৰ্য্যবাহী চলোৱা ; আৰু

(খ) ক্ৰুটীৰ বাবে খাৰিজ কৰা এনে কোনো আদেশ বা একপক্ষীয় ভাৱে গোচৰৰ শুনানীৰ বাবে ইয়াৰ দ্বাৰা পাৰিত কোনো আদেশ বাতিল কৰা।

(৬) কাৰ্য্যবাহীসমূহৰ ক্ৰমত উত্তৰ হোৱা কোনো আনুষঙ্গিক বিষয়ৰ সম্বন্ধত, গ্ৰাম ন্যায়ালয়ে এনে প্ৰক্ৰিয়া গ্ৰহণ কৰিব যিদৰে ই ন্যায়ৰ হিতত ন্যায্য আৰু যুক্তিসঙ্গত হোৱা বিবেচনা কৰে।

(৭) কাৰ্য্যবাহীসমূহ, য'তদূৰ প্ৰয়োগসাধ্য হয়, ন্যায়ৰ হিতত সঙ্গত হ'ব আৰু শুনানী, দৈনন্দিন আধাৰত চলি থাকিব, যি পৰ্য্যন্ত ইয়াৰ সমাপ্তি, লিখিতভাৱে অভিলিখিত হোৱা কাৰণৰ বাবে প্ৰয়োজনীয় হোৱা পশ্চাৎবৰ্ত্তী দিনৰ বাহিৰে শুনানীৰ স্থগন লাভ নকৰে।

(৮) গ্ৰাম ন্যায়ালয়ে ইয়াৰ স্থাপনৰ তাৰিখৰ পৰা ছমাহৰ অৱধিৰ ভিতৰত উপ-ধাৰা (১)ৰ অধীনত দিয়া আবেদন নিষ্পত্তি কৰিব।

(৯) প্ৰত্যেক বাদ, দাবী বা বিবাদত ৰায়, শুনানীৰ সমাপ্তি বা ঠিক পিছত পোন্ধৰ দিনৰ অনধিক পশ্চাৎবৰ্ত্তী সময়ত, যি সময়ত পক্ষসমূহলৈ জাননী দিয়া হ'ব, গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা মুক্ত ন্যায়ালয়ত শুনোৱা হ'ব।

(১০) ৰায়ত, গোচৰৰ এটা সংক্ষিপ্ত বিবৃতি, অৱধাৰণৰ বিষয়, ইয়াৰ ওপৰত বিনিশ্চয় আৰু বিনিশ্চয়ৰ বাবে কাৰণসমূহ থাকিব।

(১১) ৰায়ৰ এটা প্ৰতিলিপি, ৰায় শুনোৱাৰ তাৰিখৰ পৰা তিনি দিনৰ ভিতৰত উভয় পক্ষসমূহলৈ বিনামূল্যে প্ৰদান কৰা হ'ব।

গ্ৰাম ন্যায়ালয়ৰ ডিক্ৰী আৰু আদেশৰ নিষ্পাদন।

২৫। (১) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ত কোনো কথা থকা সত্ত্বেও, গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা পাৰিত ৰায়, এটা ডিক্ৰী বুলি গণ্য হ'ব আৰু ই চিভিল ন্যায়ালয়ৰ ডিক্ৰী ৰূপে গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা নিষ্পাদিত হ'ব আৰু এই উদ্দেশ্যৰ বাবে, গ্ৰাম ন্যায়ালয়ৰ এখন চিভিল ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

১৯০৮ ৰ ৫

(২) গ্ৰাম ন্যায়ালয়, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ত উপৱন্ধিত ৰূপে কোনো ডিক্ৰীৰ নিষ্পাদনৰ সম্বন্ধত প্ৰক্ৰিয়াৰ দ্বাৰা আবদ্ধ নহব আৰু নৈসৰ্গিক ন্যায়ৰ নীতিসমূহৰ দ্বাৰা পৰিচালিত হ'ব।

(৩) এটা ডিক্ৰী, ইয়াক পাৰিত কৰা গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা বা নিষ্পাদনৰ বাবে ইয়াক প্ৰেৰণ কৰা আন গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা, নিষ্পাদিত কৰা হ'ব।

চিভিল বিবাদ সমূহত আপোচ আৰু বন্দৱস্তীৰ বাবে প্ৰয়াস কৰাটো গ্ৰাম ন্যায়ালয়ৰ কৰ্ত্তব্য হ'ব।

২৬। (১) প্ৰত্যেক বাদ বা কাৰ্য্যবাহীত, য'ত ই এনে কৰাটো সম্ভৱপৰ হয়, গোচৰৰ প্ৰকৃতি আৰু পৰিস্থিতি সঙ্গত হোৱা প্ৰথম দৃষ্টান্তত গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা বাদ, দাবী বা বিবাদৰ বিষয়বস্তুৰ সম্বন্ধত এটা বন্দৱস্তীত উপনীত হোৱা পক্ষসমূহক সহায়তা, অনুসৰণ আৰু আপোচ কৰিবলৈ প্ৰয়াস কৰিব আৰু ইয়াৰ প্ৰয়োজনৰ বাবে এখন গ্ৰাম ন্যায়ালয়ে উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিহিত কৰাৰ দৰে এনে প্ৰক্ৰিয়া অনুসৰণ কৰিব।

(২) য'ত কোনো বাদ বা কাৰ্য্যবাহীত, কোনো স্তৰত পক্ষসমূহৰ মাজত এটা বন্দৱস্তীৰ যুক্তিসঙ্গত সম্ভাৱনা থকা বুলি যদিহে গ্ৰাম ন্যায়ালয়ৰ প্ৰতীত হয়, গ্ৰাম ন্যায়ালয়ে এনে এটা বন্দৱস্তী প্ৰভাৱী কৰিবলৈ প্ৰয়াস কৰাৰ বাবে সেইবোৰক সমৰ্থবান কৰিবলৈ ই উচিত বিবেচনা কৰাৰ দৰে এনে অৱধিৰ বাবে কাৰ্য্যবাহী স্থগিত কৰিব পাৰে।

(৩) য'ত কোনো কাৰ্য্যবাহী উপ-ধাৰা (২)ৰ অধীনত স্থগিত কৰা হয়, গ্ৰাম ন্যায়ালয়ে ইয়াৰ স্ববিবেকানুসাৰে, পক্ষসমূহৰ মাজত কোনো বন্দৱস্তী প্ৰভাৱী কৰাৰ বাবে এক বা ততোধিক আপোচকাৰীলৈ বিষয়টো প্ৰেৰণ কৰিব।

(৪) উপ-ধাৰা (২)ৰ দ্বাৰা অৰ্পিত ক্ষমতা, কাৰ্য্যবাহী স্থগিত কৰিবলৈ গ্ৰাম ন্যায়ালয়ৰ আন কোনো ক্ষমতাৰ অতিৰিক্ত হ'ব আৰু অল্পীকৰণ নহব।

আপোচকাৰীৰ নিযুক্তি।

২৭। (১) ধাৰা ২৬ৰ প্ৰয়োজনাৰ্থে, জিলা ন্যায়ালয়ে, জিলা দণ্ডাধীশৰ সৈতে পৰামৰ্শ কৰি, আপোচকাৰীৰ নিযুক্তিৰ বাবে সততা থকা গ্ৰাম্য স্তৰত সামাজিক কৰ্মীৰ নামেৰে গঠিত এখন তালিকা প্ৰস্তুত কৰিব, যাৰ উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিহিত কৰা ধৰণে এনে অৰ্হতা আৰু অভিজ্ঞতা থাকে।

(২) আপোচকাৰীলৈ দেয় বৰ্ত্তমান মাচুল আৰু আন ভাত্তাসমূহ আৰু নিয়োজনৰ আন নিৰন্ধন আৰু চৰ্ত্তাৱলী এনে হ'ব যেনেদৰে ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা হয়।

চিভিল বিবাদ সমূহৰ অন্তৰণ।

২৮। অধিকাৰিতা থকা জিলা ন্যায়ালয়ে, কোনো পক্ষৰ দ্বাৰা দিয়া আবেদনৰ ওপৰত বা যেতিয়া এখন গ্ৰাম ন্যায়ালয়ত বিবেচনাযোগ্য গোচৰসমূহ লম্বিত থাকে বা যেতিয়া ই ন্যায়ৰ স্বাৰ্থত প্ৰয়োজনীয় বিবেচনা কৰে, এখন গ্ৰাম ন্যায়ালয়ত লম্বিত কোনো গোচৰ, ইয়াৰ অধিকাৰিতাৰ ভিতৰত কোনো আন গ্ৰাম ন্যায়ালয়লৈ অন্তৰিত কৰিব পাৰে।

## অধ্যায় -৬
## সাধাৰণতঃ প্ৰক্ৰিয়া

**ৰাজ্যৰ চৰকাৰী ভাষাত থকা কাৰ্য্যবাহী।**

২৯। গ্ৰাম ন্যায়ালয়ৰ কাৰ্য্যবাহী, আৰু ইয়াৰ ৰায় যিমানদূৰ প্ৰয়োগসাধ্য হয়, ইংৰাজী ভাষাৰ ব্যতিৰেকে ৰাজ্যৰ চৰকাৰী ভাষাসমূহৰ এটাত চলিব ।

**ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ প্ৰয়োগ। ১৮৭২ ৰ ১**

৩০। এখন গ্ৰাম ন্যায়ালয়ে, কোনো প্ৰতিবেদন, বিবৃতি, দস্তাবেজ, সূচনা বা বিষয়বস্তু সাক্ষ্য হিচাবে প্ৰাপ্ত কৰে যিটো ইয়াৰ অভিমতত, ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ অধীনত অন্যথা সুসঙ্গত বা গ্ৰহণীয় হওঁক বা নহওঁক এটা বিবাদ প্ৰভাৱীৰূপে সংব্যৱহৃত কৰিবলৈ সহায়তা কৰিব পাৰে।

**মৌখিক সাক্ষ্যৰ অভিলেখ।**

৩১। গ্ৰাম ন্যায়ালয়ৰ বাদ বা কাৰ্য্যবাহী, মুঠতে সাক্ষীবিলাকৰ সাক্ষ্যৰ অভিলেখ ইয়াৰ আৱশ্যক নহব, কিন্তু ন্যায়াধিকাৰীয়ে প্ৰত্যেক সাক্ষীৰ পৰীক্ষাৰ অগ্ৰসৰ হোৱাত, সাক্ষীয়ে নিষ্পত্তি কৰা সাৰাংশৰ স্মাৰকপত্ৰ অভিলিখিত কৰিব বা অভিলিখিত কৰিবলৈ কাৰিত কৰিব, আৰু এনে স্মাৰকপত্ৰ সাক্ষী আৰু ন্যায়াধিকাৰীৰ দ্বাৰা স্বাক্ষৰিত কৰা হ'ব আৰু ই অভিলেখৰ এটা অংশ হ'ব।

**শপত পত্ৰত প্ৰৰূপী প্ৰকাৰৰ সাক্ষ্য।**

৩২। (১) কোনো ব্যক্তিৰ সাক্ষ্য, য'ত এনে সাক্ষ্য এটা প্ৰৰূপী প্ৰকাৰৰ হয়, শপতপত্ৰৰ দ্বাৰা দিব পাৰিব আৰু সকলো ন্যায়সঙ্গত ব্যতিক্ৰমৰ সাপেক্ষে, কোনো গ্ৰাম ন্যায়ালয়ত কোনো বাদ বা কাৰ্য্যবাহীৰ সাক্ষ্যত পঠিত হ'ব।

(২) গ্ৰাম ন্যায়ালয়ে, যদি ই উচিত বুলি ভাবে আৰু বাদ বা কাৰ্য্যবাহীৰ পক্ষসমূহৰ যিকোনো এটাৰ আবেদনত তেওঁৰ শপতপত্ৰত থকা তথ্যসমূহৰ বিষয়ে এনে কোনো ব্যক্তিক চমন আৰু পৰীক্ষা কৰিব পাৰে।

## অধ্যায় -৭
## আপীল

**দাণ্ডিক গোচৰ সমূহত আপীল। ১৯৭৪ৰ ২**

৩৩। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত বা আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, ইয়াৰ অধীনত উপৰন্ধিত ব্যতিৰেকে, এখন গ্ৰাম ন্যায়ালয়ৰ কোনো ৰায়, দণ্ডাদেশ বা আদেশত কোনো আপীল নচলিব।

(২) নিম্নলিখিতসমূহত কোনো আপীল নচলিব য'ত ——

(ক) এজন অভিযুক্ত ব্যক্তিয়ে নিজৰ দোষ স্বীকাৰ কৰে আৰু এনে স্বীকাৰোক্তিত তেওঁক দোষীসাব্যস্ত কৰা হয়;

(খ) গ্ৰাম ন্যায়ালয়ে এহেজাৰ টকাৰ অনধিক জৰিমনাৰে কেৱল এটা দণ্ডাদেশ পাৰিত কৰিব।

(৩) উপ-ধাৰা (২)ৰ সাপেক্ষে, এটা আপীল এখন গ্ৰাম ন্যায়ালয়ৰ কোনো আন ৰায়, দণ্ডাদেশ বা আদেশ এখন চেছন ন্যায়ালয়ত চলিব।

(৪) এই ধাৰাৰ অধীনত প্ৰত্যেক আপীল, কোনো গ্ৰাম ন্যায়ালয়ৰ ৰায়, দণ্ডাদেশ বা আদেশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ অৱধিৰ ভিতৰত কৰিব ঃ

পৰন্তু চেছন ন্যায়ালয়ে ত্ৰিশ দিনৰ উক্ত অৱধিৰ অৱসানৰ পিচত এটা আপীল গ্ৰহণ কৰিব পাৰে যদি ই সন্তুষ্ট হয় যে আবেদনকাৰীক উক্ত কালৰ ভিতৰত আপীল নকৰাৰ পৰ্য্যাপ্ত কাৰণ আছিল।

(৫) উপ-ধাৰা (৩)ৰ অধীনত কৰা এটা আপীল, এনে আপীল দাখিলৰ তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত চেছন ন্যায়ালয়ৰ দ্বাৰা শুনানী লোৱা আৰু নিষ্পত্তি কৰা হ'ব।

(৬) চেছন ন্যায়ালয়ে আপীলৰ নিষ্পত্তি লম্বিত থকা আপীলৰ বিপক্ষে কৰা দণ্ডাদেশ আৰু আদেশৰ নিলম্বনৰ নিৰ্দ্দেশ দিব পাৰে।

(৭) উপ-ধাৰা (৫)ৰ অধীনত চেছন ন্যায়ালয়ৰ বিনিশ্চয় চূড়ান্ত হ'ব আৰু কোনো আপীল বা পুনৰীক্ষণ চেছন ন্যায়ালয়ৰ বিনিশ্চয়ত নহব ঃ

পৰন্তু এই উপ-ধাৰাৰ কোনো কথাই সংবিধানৰ অনুচ্ছেদ ৩২ আৰু ২২৬ৰ অধীনত সহজলভ্য ন্যায়িক প্ৰতিকাৰৰ উপভোগ কৰাৰ পৰা কোনো ব্যক্তিক নিবাৰিত নকৰিব।

**চিভিল গোচৰ সমূহত আপীল। ১৯০৮ৰ ৫**

৩৪। (১) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও আৰু উপ-ধাৰা (২)ৰ সাপেক্ষে এটা আপীল, এখন গ্ৰাম ন্যায়ালয়ৰ প্ৰত্যেক ৰায় বা এটা অন্তৰ্বৰ্ত্তী আদেশ নোহোৱা কোনো আদেশ জিলা ন্যায়ালয়ত চলিব।

(২) গ্ৰাম ন্যায়ালয়ৰ দ্বাৰা পাৰিত কোনো ৰায় বা আদেশ -

(ক) পক্ষসমূহৰ সন্মতি সহ-

(খ) য'ত কোনো বাদ, দাবী বা বিবাদৰ বিষয়বস্তুৰ পৰিমাণ বা মূল্য এহেজাৰ টকাৰ অনধিক হয় ;

(গ) বিধিৰ প্ৰশ্নৰ ব্যতিৰেকে, য'ত এনে বাদ, দাবী বা বিষয়বস্তুৰ পৰিমাণ বা মূল্য পাঁচ হেজাৰ টকাৰ অনধিক হয়।

(৩) এই ধাৰাৰ অধীনত প্ৰত্যেক আপীল কোনো গ্ৰাম ন্যায়ালয়ৰ ৰায় বা আদেশৰ তাৰিখৰ পৰা ত্ৰিশদিনৰ অৱধিৰ ভিতৰত কৰিব ঃ

পৰন্তু জিলা ন্যায়ালয়ে ত্ৰিশ দিনৰ উক্ত অৱধিৰ অৱসানৰ পিচত আপীল গ্ৰহণ কৰিব পাৰিব যদি ই সন্তুষ্ট হয় যে আপীল কাৰীয়ে উক্ত অৱধিৰ ভিতৰত আপীল নকৰাৰ বাবে পৰ্য্যাপ্ত কাৰণ আছিল ।

(৪) উপ-ধাৰা (১)ৰ অধীনত কৰা কোনো আপীল দাখিল কৰা তাৰিখৰ পৰা ছয়মাহৰ ভিতৰত জিলা ন্যায়ালয়ৰ দ্বাৰা শুনানী লোৱা হ'ব আৰু নিস্পত্তি কৰা হ'ব ।

(৫) জিলা ন্যায়ালয়ে আপীলৰ লম্বিত নিস্পত্তিক, আপীলৰ বিপক্ষে থকা ৰায় বা আদেশৰ নিস্পাদন স্থগিত কৰিব পাৰে।

(৬) উপ-ধাৰা (৪)ৰ অধীনত জিলা ন্যায়ালয়ৰ বিনিশ্চয় চূড়ান্ত হ'ব আৰু কোনো আপীল বা পুনৰীক্ষণ জিলা ন্যায়ালয়ৰ বিনিশ্চয়ত নচলিব ঃ

পৰন্তু এই উপ-ধাৰাৰ কোনো কথাই সংবিধানৰ অনুচ্ছেদ ৩২ আৰু ২২৬ৰ অধীনত সহজলভ্য ন্যায়িক প্ৰতিকাৰ উপভোগ কৰাৰ পৰা কোনো ব্যক্তিক নিবাৰিত নকৰিব ।

## অধ্যায় -৮
## বিবিধ

**গ্ৰাম ন্যায়ালয়লৈ আৰক্ষীৰ সহায়তা।**

৩৫ । (১) কোনো গ্ৰাম ন্যায়ালয়ৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত কাৰ্য্য কৰা প্ৰত্যেক আৰক্ষী পদাধিকাৰীয়ে ইয়াৰ বিধিসঙ্গত প্ৰাধিকাৰীৰ প্ৰয়োগত গ্ৰাম ন্যায়ালয়ক সহায় কৰিবলৈ বাধ্য হ'ব ।

(২) যেতিয়াই গ্ৰাম ন্যায়ালয়ে, ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনত গ্ৰাম ন্যায়ালয়ক সহায়তা উপৰন্ধিত কৰিবলৈ এজন ৰাজহ পদাধিকাৰী বা আৰক্ষী পদাধিকাৰী বা চৰকাৰী কৰ্ম্মচাৰীক নিৰ্দ্দেশ দিয়ে, তেওঁ এনে সহায়তা উপৰন্ধিত কৰিবলৈ বাধ্য হ'ব ।

**ন্যায়াধিকাৰী আৰু কৰ্ম্মচাৰী ইত্যাদি, লোকসেৱক হ'ব। ১৮৬০ৰ ৪৫**

৩৬ । গ্ৰাম ন্যায়ালয়ৰ ন্যায়াধিকাৰী আৰু পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দ, এই অধিনিয়মৰ উপৰন্ধসমূহৰ কোনোটোৰ অনুসৰণত যেতিয়া কাৰ্য্য কৰা বা কাৰ্য্য কৰিবলৈ তাৎপৰ্য্যিৎ হয়, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত, লোক সেৱক বুলি গণ্য হ'ব ।

**গ্ৰাম ন্যায়ালয়ৰ পৰিদৰ্শন।**

৩৭ । উচ্চ ন্যায়ালয়ে প্ৰত্যেক ছয় মাহত এবাৰ বা উচ্চ ন্যায়ালয়ে বিহিত কৰাৰ দৰে এনে আন অৱধিত তেওঁৰ অধিকাৰিতাৰ ভিতৰত গ্ৰাম ন্যায়ালয়ক পৰিদৰ্শন কৰিবলৈ ন্যায়াধিকাৰীৰ উৰ্দ্ধতন পদৰ কোনো ন্যায়িক প্ৰাধিকাৰীক প্ৰাধিকৃত কৰিব পাৰে আৰু এনে নিৰ্দ্দেশনাসমূহ জাৰি কৰিব যিদৰে তেওঁ আৱশ্যকীয় বিবেচনা কৰে আৰু উচ্চ ন্যায়ালয়লৈ এখন প্ৰতিবেদন দাখিল কৰিব পাৰে ।

**জটিলতা দূৰীকৰণৰ ক্ষমতা।**

৩৮ । যদি এই অধিনিয়মৰ উপৰন্ধ প্ৰভাৱী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয় কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, এই অধিনিয়মৰ উপৰন্ধসমূহৰ সৈতে অসঙ্গত নোহোৱা এনে উপৰন্ধসমূহ প্ৰণীত কৰিব পাৰে যিদৰে ই জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় বা সমীচীন হোৱা বুলি প্ৰতীত হয় ঃ

পৰন্তু কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা তিনি বছৰ অৱধিৰ অৱসানৰ পিচত এই ধাৰাৰ অধীনত প্ৰণীত কৰা নহব ।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ই প্ৰণীত হোৱাৰ পিচত , যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব ।

**উচ্চ ন্যায়ালয়ৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।**

৩৯ । (১) উচ্চ ন্যায়ালয়ে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপৰন্ধসমূহৰ সম্পন্নৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপৰন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ধাৰা ১০ৰ অধীনত গ্ৰাম ন্যায়ালয়ৰ মোহৰৰ প্ৰৰূপ আৰু আকাৰ ;

(খ) ধাৰা ২৪ৰ উপ-ধাৰা (১)ৰ অধীনত বাদ, দাবী বা কাৰ্য্যবাহী ৰুজুকৰণৰ বাবে প্ৰপত্ৰ, ৰীতি আৰু মাচুল ;

(গ) ধাৰা ২৪ৰ উপ-ধাৰা (২)ৰ অধীনত বিৰোধী পক্ষত সেৱাৰ ৰীতি ;

(ঘ) ধাৰা ২৬ৰ উপ-ধাৰা (১)ৰ অধীনত আপোচৰ বাবে প্ৰক্ৰিয়া ;

(ঙ) ধাৰা ২৭ৰ উপ-ধাৰা (১)ৰ অধীনত আপোচকাৰীৰ অৰ্হতা আৰু অভিজ্ঞতা ;

(চ) ধাৰা ৩৭ৰ অধীনত গ্ৰাম ন্যায়ালয়ৰ পৰিদৰ্শনৰ বাবে অৱধি ;

(৩) উচ্চ ন্যায়ালয়ৰ দ্বাৰা জাৰী কৰা প্ৰত্যেক অধিসূচনা চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত হ'ব।

ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

৪০। (১) ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপৰন্ধসমূহৰ সম্পন্নৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপৱন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ১৭ৰ উপ-ধাৰা (২)ৰ অধীনত গ্ৰাম ন্যায়ালয়ৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দক দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন নিৱন্ধন আৰু চৰ্ত্তাৱলী ;

(খ) ধাৰা ২৭ৰ উপ-ধাৰা (২)ৰ অধীনত আপোচকাৰীলৈ দেয় বৰ্ত্তমান চলি থকা মাচুল আৰু আন ভাত্তাসমূহ আৰু নিয়োজনৰ বাবে আন নিৱন্ধন আৰু চৰ্ত্তাৱলী।

(৩) এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ই প্ৰণীত হোৱাৰ পিচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত উত্থাপন কৰা হ'ব।

## প্ৰথম অনুসূচী

(ধাৰা ১২ আৰু ১৪ চাওঁক)

### ভাগ-I

### ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫), ইত্যাদিৰ অধীনৰ অপৰাধসমূহ

(i) মৃত্যুদণ্ডৰে দণ্ডনীয় নোহোৱা অপৰাধসমূহ, আজীৱন কাৰাবাসেৰে বা দুবছৰৰ অধিক এটা অৱধিৰ বাবে কাৰাবাস ;

(ii) ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৩৭৯, ধাৰা ৩৮০ বা ধাৰা ৩৮১ৰ অধীনত চুৰি, য'ত চুৰি কৰা সম্পত্তিৰ মূল্য ২০ হাজাৰ টকাৰ অনধিক হয় ;

(iii) ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৪১১ৰ অধীনত চুৰি সম্পত্তি প্ৰাপ্ত কৰা বা ৰখা, য'ত সম্পত্তিৰ মূল্য বিশ হাজাৰ টকাৰ অনধিক হয় ;

(iv) ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৪১৪ৰ অধীনত চুৰি সম্পত্তিৰ গোপনকৰণ বা নিস্পত্তিকৰণত সহায় কৰা, য'ত সম্পত্তিৰ মূল্য বিশ হাজাৰ টকাৰ অনধিক হয় ;

(v) ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৪৫৪ আৰু ৪৫৬ৰ অধীনত অপৰাধসমূহ ;

(vi) ধাৰা ৫০৪ৰ অধীনত কোনো শান্তি ভঙ্গৰ প্ৰকোপন দিবলৈ অভিপ্ৰায়সহ অপমান কৰা, আৰু আপৰাধিক ভীতি প্ৰদৰ্শন কৰা, ভাৰতীয় দণ্ড সংহিতাৰ (১৮৬০ৰ ৪৫)ৰ ধাৰা ৫০৬ৰ অধীনত দুই বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে বা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হ'ব ;

(vii) পূৰ্ব্বগামী অপৰাধসমূহৰ কোনোটোৰ অপপ্ৰেৰণা ;

(viii) পূৰ্ব্বগামী অপৰাধসমূহৰ কোনোটোৰ সংঘটিত কৰিবলৈ প্ৰয়াস কৰা, যেতিয়া এনে প্ৰয়াস অপৰাধ হয়।

### ভাগ-II

### আন কেন্দ্ৰীয় অধিনিয়মৰ অধীনত অপৰাধ আৰু উপশম

(i) কোনো অধিনিয়মৰ দ্বাৰা গঠিত কোনো অপৰাধ যাৰ সম্বন্ধত পত্ৰ অনধিকাৰ প্ৰৱেশ অধিনিয়ম, ১৮৭১ (১৮৭১ৰ ১)ৰ ধাৰা ২০ৰ অধীনত এটা গোচৰ দিয়া হয় ;

ৰাষ্ট্ৰপতিয়ে গ্ৰাম ন্যায়ালয় অধিনিয়ম, ২০০৮ (২০০৯ ৰ অধিনিয়ম সংখ্যা ৪)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০) ।

নতুন দিল্লী                                        সচিব, ভাৰত চৰকাৰ
তাৰিখ ঃ

The above translation in Assamese of The Gram Nyayalayas Act,2008 ( Act No. 4 of 2009) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

G. NARAYANA RAJU,
Secretary to the Govt. of India.

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ২৪-১২-১৮*